**REGIONAL NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 17-2-2025
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
----------------------------

অসম বিধানসভাৰ বাজেট অধিৱেশন আজি আৰম্ভ হৈছে। অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচী আজি কোকৰাঝাৰত অনুষ্ঠিত হৈছে। বিটিচিৰ বিধায়িনী ভৱনত ক্ষন্তেক আগতে ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যৰ ভাষণেৰে অধিৱেশনৰ কাৰ্যসূচী আৰম্ভ হয়। ৰাজ্যপাল গৰাকীয়ে তেওঁৰ ভাষণত কোকৰাঝাৰত এই কাৰ্যসূচী আৰম্ভণী কৰা ব্যৱস্থাক ভূয়সী প্ৰশংসা কৰে। এই অধিৱেশনৰ কালত হোৱা চৰ্চাসমূহে তথা অধিৱেশনত গৃহীত সিদ্ধান্তসমূহে নাগৰিকসকলৰ আশা-আকাংক্ষা পূৰণ কৰাত সহায়ক হোৱাৰ উপৰি অসমক এখন অধিক সফল ৰাজ্যত পৰিণত কৰাত বিশেষভাৱে অৰিহণা যোগাব বুলি আশা ব্যক্ত কৰে। প্ৰাচীন কামৰূপ আৰু প্ৰাগজ্যোতিষৰ ইতিহাসৰ পৰা আৰম্ভ কৰি মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ আধ্যাত্মিক চিন্তা-চৰ্চাৰ বিষয়ে উল্লেখ কৰি শ্ৰী আচাৰ্যই অসমৰ গুৰুত্ব তথা মহত্বৰ বিষয়েও নিজৰ মত ব্যক্ত কৰে। বৰ্তমানৰ ৰাজ্য চৰকাৰৰ বিভিন্ন ইতিবাচক পদক্ষেপৰ বিষয়ে উল্লেখ কৰি তেওঁ লগতে কয়, যে এনে পদক্ষেপসমূহে ৰাজ্যখনক ক্ৰমান্বয়ে দেশৰ আন অংশৰ সৈতে অধিক সক্ৰিয় তথা গতিশীলভাৱে জড়িত কৰিবলৈ সমৰ্থ হৈছে।

বাজেট অধিৱেশনৰ প্ৰথম দিনাৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে মন্ত্ৰী-বিধায়কসকল কোকৰাঝাৰত উপস্থিত হোৱাৰ পাছত তেওঁলোকক বি টি চিৰ বিধায়িনী ভৱনত আনুষ্ঠানিকভাৱে আদৰণি জনোৱা হয়। অধিৱেশনৰ কাৰ্যসূচীৰ আৰম্ভণিতে অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে আদৰণি ভাষণত কোকৰাঝাৰত এই অধিৱেশনৰ আয়োজন কৰা পদক্ষেপক ঐতিহাসিক বুলি অভিহিত কৰি ইয়াৰ বাবে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শলাগ লয়।

উল্লেখযোগ্য যে বাজেট অধিৱেশনৰ বাকী কেইদিনৰ কাৰ্যসূচী গুৱাহাটীৰ অসম বিধানসভা ভৱনত অনুষ্ঠিত হ'ব। এই অধিৱেশনত ষষ্ঠ অনুসূচীৰ অন্তৰ্ভুক্ত অঞ্চলসমূহৰ প্ৰশাসনীয় ব্যৱস্থাৰ উন্নয়নকে ধৰি কেইবাটাও গুৰুত্বপূৰ্ণ দিশ উত্থাপন কৰা হ'ব।

০০০০০০

য়াৰেংজুংলা লংকুমেই আজি গুৱাহাটী উচ্চ ন্যায়ালয়ৰ অতিৰিক্ত ন্যায়াধীশ হিচাপে শপতগ্ৰহণ কৰে। গুৱাহাটী উচ্চ ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশ বিজয় বিষ্ণৱে আজি দিনৰ ১০ বজাত ন্যায়ালয়ৰ নতুন ভৱনৰ ১ নম্বৰ আদালতত আয়োজিত এটা অনুষ্ঠানত শ্ৰীমতী লংকুমেৰক শপতগ্ৰহণ কৰোৱায়। শপতগ্ৰহণ অনুষ্ঠানত গুৱাহাটী উচ্চ ন্যায়ালয়ৰ কেইবাগৰাকীও ন্যায়াধীশ আৰু অসম চৰকাৰৰ উচ্চ পদস্থ বিষয়াসকল উপস্থিত আছিল।

০০০০০০

মহানগৰীৰ সমীপৱৰ্তী যোৰাবাটত বশিষ্ঠ আৰক্ষী আৰু যোৰাবাট আৰক্ষীৰ ড্ৰাগছ বিৰোধী যুটীয়া অভিযানত আজি দুজন ড্ৰাগছ সৰবৰাহকাৰীক আটক কৰা হয়। ধৃত সৰবৰাহকাৰী দুজন ১৩ মাইলৰ গৌতম

দাস আৰু ৰিভয়ৰ বিৰু বড়ো বুলি জানিবলৈ পোৱা গৈছে। আৰক্ষীয়ে সৰবৰাহকাৰী দুজনৰ পৰা ৩৬ দশমিক ৫-০ গ্ৰাম নিষিদ্ধ ড্ৰাগছ্ আৰু নগদ টকা তথা ম'বাইল ফোন জব্দ কৰে। ঘটনা সন্দৰ্ভত আৰক্ষীৰ তদন্ত অব্যাহত আছে।

গোলাঘাট জিলাত আৰক্ষীয়ে ড্ৰাগছ্ বিৰোধী অভিযান চলাই বুজন পৰিমাণৰ ড্ৰাগছ্সহ এই ব্যৱসায়ত জড়িত কেইবাজনো লোকক গ্ৰেপ্তাৰ কৰে। গোলাঘাটৰ ৩ নম্বৰ ৰে'ল গে'টৰ সমীপৰ এটা ঘৰত অভিযান চলাই আৰক্ষীয়ে ৮ দশমিক ৭-৩ গ্ৰাম ওজনৰ হেৰ'ইনৰ ৯টা কণ্টেইনাৰ আৰু ম'বাইল জব্দ কৰে। এই ঘটনাত জড়িত এগৰাকী মহিলাৰ লগতে আন এজন লোকক আটক কৰা হয়। ঘটনা সন্দৰ্ভত আৰক্ষীয়ে গোচৰ ৰুজু কৰিছে।

ইপিনে, শিৱসাগৰৰ বনিয়াবাৰীত অভিযান চলাই আৰক্ষীয়ে ই-ৰিক্সাৰ পৰা বুজন পৰিমাণৰ অবৈধ ড্ৰাগছ্ উদ্ধাৰ কৰে। তাপস সৰকাৰ নামৰ ই-ৰিক্সা চালকজনৰ জিম্মাৰ পৰা আৰক্ষীয়ে মাৰাত্মক ড্ৰাগছ্ ভৰ্তি কণ্টেইনাৰ জব্দ কৰাৰ লগতে চালকজনক সোধাপোছাৰ বাবে আটক কৰিছে।

০০০০০০

বাক্সা জিলাৰ ধমধমাৰ পেট্ৰ'ল ডিপ'ত কালি নিশা ৫ জনীয়া ডকাইটৰ দল এটাই দুই লাখতকৈও অধিক টকা লুট কৰে। ধমধমাত থকা ভাৰত পেট্ৰ'লিয়াম ডিপ'ত দুৰ্বৃত্তৰ দলটোৱে বাইকেৰে আহি কেশ্ব কাউণ্টাৰৰ দৰ্জা ভাঙি ধনখিনি লুট কৰি নিয়ে বুলি জানিব পৰা গৈছে। কেশ্ব কাউণ্টাৰত শুই থকা কৰ্মচাৰীজনক দলটোৱে কম্বলেৰে হেচা মাৰি ধৰি টকাখিনি লৈ পলায়ন কৰে। ঘটনাৰ খবৰ পাই ধমধমা আৰক্ষীয়ে নিশাই পেট্ৰ'ল ডিপ'টোত উপস্থিত হৈ তদন্ত আৰম্ভ কৰিছে।

০০০০০০

দেশজুৰি আজিৰে পৰা ফাষ্টটেগৰ নতুন কৰ নীতি কাৰ্যকৰী হৈছে। নেচনেল পেমেণ্টছ্ কৰ্পৰেচন অৱ ইণ্ডিয়া আৰু পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ে টোলগে'টসমূহত যান-বাহনৰ কৰ সংগ্ৰহ ব্যৱস্থাৰ ক্ষেত্ৰত আজিৰে পৰা কিছু সালসলনি কৰিছে। এই অনুসৰি কৰ সংগ্ৰহৰ বৈদ্যুতিন ব্যৱস্থা ফাষ্টটেগত নিৰ্দিষ্ট পৰিমাণতকৈ কম ধনৰাশি থাকিলে, লেনদেনত বিলম্ব হ'লে নতুবা টেগসমূহ নিষ্ক্ৰিয় হৈ থাকিলে অতিৰিক্ত কৰ আদায় কৰা হ'ব। তদুপৰি টোলগে'ট পাৰ হোৱাৰ এঘণ্টা পূৰ্বে আৰু পাৰ হোৱাৰ ১০ মিনিট পিছত ফাষ্টটেগ নিষ্ক্ৰিয় হৈ থাকিলেও ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি প্ৰকাশ কৰা হৈছে।

০০০০০০

অসম চলচ্চিত্ৰ সমাজৰ উদ্যোগত, ভাৰতীয় চলচ্চিত্ৰ মহাসংঘৰ সহযোগত আৰু ঠেঙাল-কছাৰী স্বায়ত্তশাসিত পৰিষদৰ আতিথ্যত অহা ১৪ মাৰ্চৰ পৰা তিনিদিনীয়াকৈ তিতাবৰৰ ঐতিহাসিক ধলি পথাৰত তৃতীয় আন্তঃৰাষ্ট্ৰীয় গ্ৰাম্য চলচ্চিত্ৰ মহোৎসৱ অনুষ্ঠিত হ'ব। কালি এই মহোৎসৱৰ ঘাইখুঁটা স্থাপন অনুষ্ঠান সম্পন্ন হয়। এই মহোৎসৱৰ প্ৰতিদিনে কমেও ৮ খনকৈ চলচ্চিত্ৰ প্ৰদৰ্শনৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি অনুষ্ঠানৰ অংশ হিচাপে চলচ্চিত্ৰ সম্পৰ্কীয় বিশেষ পাঠদান, কৰ্মশালাকে ধৰি কেইবাটাও কাৰ্যসূচী লোৱা হৈছে।

০০০০০০

কাৰ্বি আংলং জিলাৰ ডিফুৰ সমীপৰ তাৰালাংছ'ত কালিৰে পৰা ৫১ সংখ্যক কাৰ্বি যুৱ মহোৎসৱ বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হৈছে। কাৰ্বি সাংস্কৃতিক সমাজৰ উদ্যোগত পাঁচদিনীয়া কাৰ্যসূচীৰে আয়োজিত

কাৰ্বি যুৱ মহোৎসৱ কাৰ্বি স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে উদ্বোধন কৰে। উদ্বোধনী ভাষণত শ্ৰীৰংহাঙে কাৰ্বি ভাষা সংস্কৃতি সংৰক্ষণৰ বাবে নতুন প্ৰজন্মক দায়িত্ব ল'বলৈ আহ্বান জনায়। অনুষ্ঠানত অংশ লৈ সাংসদ অমৰ সিং টিছ'ৰে কাৰ্বি মহোৎসৱৰ ঐতিহ্যৰ বিষয়ে উল্লেখ কৰে। বিভিন্ন জাতি-জনগোষ্ঠীৰ এই মহোৎসৱে অগণন লোকক আকৰ্ষিত কৰে বুলি তেওঁ মন্তব্য কৰে। উদ্বোধনী অনুষ্ঠানৰ পাছতে বিভিন্ন মঞ্চত কাৰ্বিসকলৰ পৰম্পৰাগত লোকনৃত্য, গীত-মাত প্ৰতিযোগিতা আয়োজিত হয়। উল্লেখযোগ্য যে উদ্বোধনী অনুষ্ঠানৰ পূৰ্বে কাৰ্বি লোক সংস্কৃতিৰ আদিগুৰু ৰাংচিনা চাৰপ'ক আৰাধনা কৰা হয়। ইয়াৰ পাছতে বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰা উলিওৱা হয়। শোভাযাত্ৰাত জিলাখনৰ বিভিন্ন প্ৰান্তৰ পৰা অহা ছয় সহস্ৰাধিক কাৰ্বি শিল্পী, ডেকা-গাভৰুৱে অংশগ্ৰহণ কৰে।

oooooo

**সমাপ্ত**